# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুই ইনাচি'অ লুলা ডা ছিলভাৰ মাজত আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হয়।

২। দেশে অহা ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠান যোগে জনসাধাৰণৰ সৈতে মনৰ ভাৱ বিনিময় কৰিব।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি হাংগেৰীৰ জাতি

আৰু

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ খেলসমূহ আজিৰে পৰা অনুষ্ঠিত হ'ব।

০০০০০০০০

নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ব্ৰাজিলৰ ৰাষ্ট্ৰপতি  লুইজ ইনাচিঅ' লুলা ডা ছিলভাৰ মাজত দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছে। এই বৈঠকত দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই বহুপাক্ষিক মঞ্চৰ সহযোগিতা, বহুপাক্ষিকতাবাদৰ সংস্কাৰ, গোলকীয় সুশাসন আৰু গ্ল'বেল ছাউথৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ আলোচনা কৰাৰ কথা।

০০০০০০০০

ভাৰত ভ্ৰমণলৈ অহা ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা ছিলভাক আজি ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। ভাৰত আৰু ব্ৰাজিলৰ মাজত ঘনিষ্ঠ আৰু বহুমুখী কৌশলগত অংশীদাৰিত্ব আছে। গণতান্ত্ৰিক প্ৰমূল্য, গভীৰ গণসংযোগ আৰু বিভিন্ন ক্ষেত্ৰৰ সম্প্ৰসাৰিত সহযোগিতাৰ দুয়োখন দেশৰ সম্পৰ্কক বিশেষ মাত্ৰা দিছে। ভাৰত আৰু ব্ৰাজিলৰ মাজত ২০০৬ চনৰ পৰা কৌশলগত অংশীদাৰিত্ব আছে। ব্ৰাজিল হৈছে লেটিন আমেৰিকাৰ ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক অংশীদাৰ দেশ। বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, শক্তি, কৃষি, স্বাস্থ্য, ঔষধ, বিজ্ঞান-প্ৰযুক্তি, উদ্ভাৱন আদি বিভিন্ন ক্ষেত্ৰত দুয়োখন দেশৰ মাজত সুদৃঢ় দ্বিপাক্ষিক সম্পৰ্ক আছে। ৰাষ্ট্ৰসংঘৰ সংস্কাৰ, জলবায়ু পৰিবৰ্তন আৰু সন্ত্ৰাসবাদৰ বিৰোধিতাকে ধৰি বিভিন্ন আন্তৰ্জাতিক বিষয়তো দুয়োখন দেশে সহমত প্ৰকাশ কৰি আহিছে। দুয়োখন দেশ ব্ৰিকছ, আইবিএছএ, জি-টুৱেণ্টি আৰু জি-ফ'ৰৰ দৰে আন্তৰ্জাতিক সংস্থাৰ সদস্য।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি পুৱা ব্ৰাজিলৰ অভ্যাগত ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা ডা ছিলভাক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ ক্ষেত্ৰত শ্ৰীছিলভাৰ সদিচ্ছা আৰু নিৰ্দেশনাৰ প্ৰশংসা কৰে।

০০০০০০০০

দেশে অহা ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদক পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গুৱাহাটীত আয়োজিত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী-চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কুচ-কাবাজত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা ৰাষ্ট্ৰৰ প্ৰতি অভূতপূৰ্ব সেৱা আগবঢ়াই আহিছে। তেওঁ কয় যে, চি আৰ পি এফ আৰু কোব্ৰা বেটেলিয়নৰ জোৱানসকলে দেশক নক্সালমুক্ত কৰাৰ বাবে চকুত লগা ধৰণৰ কাম কৰি আহিছে। চি আৰ পি এফে উত্তৰ পূৰ্বাঞ্চল, জম্মু-কাশ্মীৰ আৰু মাওবাদ প্ৰভাৱিত এলেকা সমূহত শান্তি বৰ্তাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, বাহিনীটো অবিহনে দেশৰ অভ্যন্তৰীণ সুৰক্ষাৰ বিষয়ে কল্পনাই কৰিব নোৱাৰি। শান্তি বৰ্তাই ৰখাত চি আৰ পি এফে পালন কৰি অহা ভূমিকাৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, বাহিনীটোৰ কেইবাটাও দল হিংসা জৰ্জৰ মণিপুৰত নিয়োগ কৰা হৈছে আৰু ৰাজ্য খনত ইয়াৰ ইতিবাচক প্ৰভাৱ দেখিবলৈ পোৱা গৈছে।

চি আৰ পি এফে প্ৰতিষ্ঠা কালৰে পৰা কৰি অহা ত্যাগৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে বাহিনীটোৰ ২ হাজাৰ ২৭০ গৰাকী বীৰ জোৱানে দেশভূমিৰ সেৱাত প্ৰাণ উৎসৰ্গা কৰিছে। বাহিনীটোৰ ৭০০ গৰাকী জোৱানে অকল উত্তৰ পূৰ্বাঞ্চলতে প্ৰাণ উৎসৰ্গা কৰা বুলি তেওঁ জানিবলৈ দিয়ে।

অনুষ্ঠান কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কুচ-কাৱাজ পৰিদৰ্শন কৰে আৰু জোৱান সকলৰ অভিবাদন গ্ৰহণ কৰে। তেওঁ লগতে অসাধাৰণ বীৰত্বৰ পৰিচয় দিয়া বাহিনীটোৰ কেইবাগৰাকীও বীৰ জোৱানক সাহসিকতাৰ পদক প্ৰদান কৰে।

অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা শ্ৰীশ্বাহে বিয়লি ভাগত সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। ২৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই ছাউনীত ফায়াৰিং ৰেঞ্জ, প্ৰশিক্ষণ গাউণ্ড, নিৰীক্ষণ কেন্দ্ৰ আদিৰ উপৰি পুৰুষ আৰু মহিলা আৰক্ষীৰ বাবে পৃথক বেৰকৰ সুবিধাকে ধৰি বহু ব্যৱস্থা থাকিব।

০০০০০০০০

নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনত ভালেমান প্ৰযুক্তিগত সমাধান প্ৰৰ্দশন কৰা হৈছে বুলি কেন্দ্ৰীয় ইলেকট্ৰনিকচ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। সন্মিলন স্থলী পৰিদৰ্শন কৰি আজি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনক লৈ যুৱ চামৰ মাজত ব্যাপক উচাহ পৰিলক্ষিত হৈছে। এই সন্মিলনত কংগ্ৰেছ কৰ্মী সকলে সৃষ্টি কৰা অশোভনীয় পৰিস্থিতি সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্ন উত্তৰত শ্ৰী বৈষ্ণৱে কয় যে এই প্ৰৰ্দশনীত ভাগ লোৱা সকলোৰে কংগ্ৰেছ কৰ্মীৰ এনে

কাৰ্যক অতি লজ্জাজনক বুলি অভিহিত কৰিছে। কংগ্ৰেছ দল ৰাজনীতিত অতি তললৈ নামি গৈছে বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয় যে কংগ্ৰেছ যুৱ প্ৰজন্মৰ বিৰোধী আৰু তেওঁলোকে কোনো নতুন উদ্ভাৱন নিবিচাৰে।

00000000

নতুন দিল্লীত অনুষ্ঠিত ভাৰত-কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনৰ ভিতৰত কালি প্ৰতিবাদ কৰাৰ বাবে বিজেপিয়ে কংগ্ৰেছক কঠোৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয়, যে সমগ্ৰ দেশ কংগ্ৰেছৰ কাৰ্যকলাপক লৈ অত্যন্ত বিৰক্ত হৈছে। তেওঁ কংগ্ৰেছক দেশবাসীৰ ওচৰত ক্ষমা খুজিবলৈ দাবী জনায়। কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনক দেশৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ বিপৰীতে কংগ্ৰেছে অতি গৰিহণাযোগ্য কাম কৰি দেখুৱালে। মুখপাত্ৰ ত্ৰিবেদীয়ে কয়, যে কংগ্ৰেছৰ কাৰ্যক কেৱল ৰাজনীতি বা ঋণাত্মক ৰাজনীতি বুলি অভিহিত কৰিব নোৱাৰি, বৰং এই কাৰ্য দেশৰ প্ৰতি অসন্মানজনক হিচাপে বিবেচিত হৈছে।

00000000

নতুন দিল্লীৰ ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলন চৌহদত যুৱ কংগ্ৰেছৰ কৰ্মীসকলে কালি হুলস্থূলীয়া পৰিবেশত সৃষ্টি কৰাৰ প্ৰতিবাদত আজি দিল্লী বিজেপিয়ে কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি বীৰেন্দ্ৰ সচদেৱৰ নেতৃত্বত এই প্ৰতিবাদত দলৰ সাংসদ মনোজ তিৱাৰী আৰু আন আন নেতাকৰ্মীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদস্থলীত শ্ৰীতিৱাৰীয়ে কয়, যে কংগ্ৰেছে দেশৰ ভাৱমূৰ্তিত চেকা লগাবলৈ চেষ্টা কৰি আছে আৰু ইয়াৰ বাবে দেশৰ জনসাধাৰণে কংগ্ৰেছক কেতিয়াও ক্ষমা নকৰে। শ্ৰীতিৱাৰীয়ে অভিযোগ কৰে যে, কংগ্ৰেছৰ ঘৃণা এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী অথবা বিজেপিতে সীমাবদ্ধ হৈ থকা নাই, বৰং দেশৰ আন্তৰ্জাতিক ভাৱমূৰ্তিত কালিমা সানিবলৈ কংগ্ৰেছ তৎপৰ হৈ উঠিছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীযোগে মন কী বাত অনুষ্ঠানত জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাৱ বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এ আই আৰ এপতো শুনিবলৈ পোৱা যাব। এই অনুষ্ঠান আকাশবাণীৰ ইউটিউব চেনেলযোগে পোনপটীয়া প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে এই অনুষ্ঠানৰ হিন্দী প্ৰচাৰণৰ পাছতে আঞ্চলিক ভাষাত প্ৰচাৰ কৰিব।

00000000

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি হাংগেৰীৰ সংসদৰ উপাধ্যক্ষ ড০ লাজছ অ'লাহক নতুন দিল্লীত সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবিৰলাই কয়, যে এই সাক্ষাতত দুয়োখন দেশৰ মাজত সংসদীয় সহযোগিতাৰ সুদৃঢ়কৰণ আৰু সহযোগিতাৰ নতুন দিশ সন্দৰ্ভত বিস্তৃত আলোচনা হয়। আলোচনাৰ কালত ভাৰত-হাংগেৰীৰ মাজত থকা দীৰ্ঘদিনীয়া বন্ধুত্বৰ সম্পৰ্কক আগুৱাই নিয়াৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰা হয় বুলিও শ্ৰীবিৰলাই উল্লেখ কৰে।

00000000

জম্মু-কাশ্মীৰৰ ৰাজৌৰি জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ সুন্দৰবাণী এলেকাত তালাচী চলাই সেনাই আজি যুদ্ধৰ প্ৰস্তুতিৰ বাবে গোটাই থোৱাৰ দৰে বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। এই অপাৰেচন জ্বালাৰ বিষয়ে

তথ্য দি সেনা মুখপাত্ৰই কয়, যে নিয়ন্ত্ৰণ ৰেখাৰ এই সুন্দৰবাণী খণ্ডৰ নাথুৱা তিববা এলেকাত ১৯ ফেব্ৰুৱাৰীত সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশ ব্যৰ্থ কৰা হৈছিল। তালাচীকালত অনুপ্ৰৱেশকাৰীৰ দলটো গুৰুতৰভাৱে আহত হোৱাৰ প্ৰমাণ পোৱা গৈছিল। তাৰ পাছতে সেই স্থানত এটা এ কে ৰাইফল, দুটা গুলীভৰ্তি মেগজিন, তিনিটা ৰাকছেকৰ লগতে ব্লেংকেট, ৰচদপাতি আৰু কাপোৰ কানি উদ্ধাৰ কৰা হৈছে।

০০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্য্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হবলগীয়া ছুপাৰ এইট পৰ্য্যায়ৰ প্ৰথমখন খেলত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ছুপাৰ এইট পৰ্য্যায়ৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছুপাৰ এইটৰ গ্ৰুপ-ৱানত ভাৰত, জিম্বাব'ৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকা থকাৰ বিপৰীতে গ্ৰুপ-টুত পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ড আছে।

যোৱা নিশা শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৯ উইকেটত পৰাস্ত কৰে। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেল দুখন অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত